Total number of printed pages–4

4 (Sem 3) FASM II

# 2014

# ASSAMESE

## (Functional MIL II)

## Paper : 302

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ দিয়া ঃ ১×৫=৫

(ক) ইংলণ্ড দেশ দীঘলে কিমান মাইল?

(খ) বিজ্ঞান শাস্ত্ৰক কিহৰ লগত তুলনা কৰা হয়?

(গ) জীৱন কাল চুটি, শাস্ত্ৰ কেনেকুৱা?

(ঘ) লাচিত বৰফুকনৰ লগত থকা বিচক্ষণ জ্যোতিষী গৰাকী কোন?

(ঙ) আলাবৈৰ ৰণত একেদিনতে কিমান সৈন্য নিহত হৈছিল?

*Contd.*

২। অতি চমুকৈ বুজাই লিখা ঃ ২×৫=১০

(ক) জ্ঞান কেইবিধ আৰু কি কি?

(খ) 'প্লেৰী' সম্পৰ্কে চমুকৈ লিখা।

(গ) 'সৈন্যবাহিনীৰ কেইবাটাও অংগ' — অংগকেইটা কি কি?

(ঘ) ইংলণ্ড দেশৰ ৰাজ্য শাসন পদ্ধতিৰ বিষয়ে চমুকৈ লিখা।

(ঙ) 'ইংলণ্ডৰ বিৱৰণ' পাঠটিত দিয়া মতে সেই সময়ত ইংলণ্ডত কিমান মানুহ আছিল আৰু দেশখনক কিমানখন প্ৰদেশত ভাগ কৰা হৈছিল?

৩। চমুকৈ বুজাই লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) "মধ্যস্থজনক লৈ বহুসময়ত বিবাদ বাঢ়েহে, নুটুটে" — 'নিজৰ ভৰিত থিয় হোৱা' নামৰ পাঠটিৰ আধাৰত আলোচনা কৰা।

(খ) কোৱামৃদ্ধা হাজৰিকাই নাচোনৰ সহায়েৰে মোগলৰ হাতত বন্দী অৱস্থাৰ পৰা কেনেকৈ মুক্ত হৈছিল বুজাই লিখা।

(গ) লণ্ডন নগৰৰ এটি বৰ্ণনা দিয়া।

(ঘ) 'নিজৰ ভৰিত থিয় হোৱা' পাঠটিত নিজৰ ভৰিত থিয় হ'ব নোৱৰা বাবে এগৰাকী নবাবৰ কি অৱস্থা হৈছিল বুজাই লিখা।

(ঙ) "ছিঃ এনে মানুহৰ লগত কোন বিদেশলৈ যায়" — কোনে, কি প্ৰসংগত কথাষাৰ কৈছিল বুজাই লিখা।

(চ) ইংলণ্ড দেশত কেনেকৈ বিদ্যাৰ অনুশীলন হয় বুজাই লিখা।

৪। অসমীয়াৰ দুৰৱস্থাৰ মূল হেতু কেইটা 'ইংলণ্ডৰ বিৱৰণ' পাঠৰ আধাৰত আলোচনা কৰা। ১০

*অথবা*

শৰাইঘাটৰ যুদ্ধত অসমীয়াসকলে মূলতঃ কেনেধৰণৰ গুণৰ বাবে জয়লাভ কৰিছিল বুজাই লিখা।

৫। তলত দিয়া বাণিজ্যিক লেন-দেন সম্পৰ্কীয় শব্দবোৰৰ অৰ্থসহ *একোটি* চমুটোকা লিখা ঃ *(যিকোনো পাঁচটা)* ৩×৫=১৫

Affidavit, Audit, Over-Draft, Balance-sheet, Provident Fund, Bonus, Hire purchase, Quorum.

৬। তলত দিয়া ধৰণে এখন পত্ৰ লিখাঁ ঃ ১০

*(পত্ৰত তোমাৰ নিজৰ নাম ঠিকনা ব্যৱহাৰ নকৰি ৰমেন পাঠক, নলবাৰী, জিলা-নলবাৰী, অসম, লিখিবা)*

তুমি বিভিন্ন ধৰণৰ মুখা নিৰ্মাণ কৰা এটা শিল্প প্ৰতিষ্ঠান স্থাপন কৰিবলৈ বিচাৰিছা। প্ৰতিষ্ঠানটোৰ বাবে ঋণ বিচাৰি এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা ব্যৱস্থাপকলৈ এখন আবেদন পত্ৰ লিখাঁ।

*অথবা*

তোমাৰ এটা কম্পিউটাৰ বিক্ৰী প্ৰতিষ্ঠান আছে। অলপতে বিক্ৰী কৰা বহুকেইটা কম্পিউটাৰত নানান বিজুতি দেখা দিয়া বুলি গ্ৰাহকে অভিযোগ দিছে। এই অভিযোগসমূহৰ বিষয়ে জনাই নিৰ্মাতা কোম্পানীৰ মহাপ্ৰবন্ধকলৈ এখন অভিযোগ পত্ৰ লিখা।

৭। সাৰাংশ লিখাঁ ঃ ১০

বিজ্ঞাপনৰ বক্তব্যখিনি অৰ্থাৎ, তাত লেখা, কোৱা বা দেখুওৱা কথাখিনিয়ে আৰু তাৰ পৰিবেশন-ৰীতিটোৱে সৰ্বসাধাৰণ মানুহৰ সৃষ্টি আৰু মনোযোগ আকৰ্ষণ কৰিব পাৰিব লাগিব। এই কথা মনত ৰাখিয়েই বিজ্ঞাপনত প্ৰায়েই বৰ মন পৰশা ভাষা বা চকুত লগা ছবি, নতুবা কাৰ্টুন আদি ব্যৱহাৰ কৰা হয়। আজিকালি বিজ্ঞাপনক এটা শিল্পকৰ্মৰ দৰেই বৰ যত্নেৰে আৰু বুদ্ধি খটুৱাই আকৰ্ষণীয় ৰূপ সৃষ্টি কৰা হয়। এই কামৰ বাবে বহুতো ব্যৱসায়িক প্ৰতিষ্ঠানে নিজাকৈ একোটা বিজ্ঞাপন বিভাগো খুলিছে। কেৱল বেচৰকাৰী খণ্ডতে নহয়, চৰকাৰী খণ্ডৰো বহুত প্ৰতিষ্ঠানৰ এনেকুৱা বিভাগ আছে। এই বিভাগবোৰত কাম কৰিবলৈ বিশেষভাবে প্ৰশিক্ষণপ্ৰাপ্ত নিপুণ শিল্পী, লেখক, ডিজাইনাৰ আদিও আজিকালি আমাৰ দেশত ওলাইছে। বিজ্ঞাপনৰ কাৰণে ইমান খৰচ আৰু ইমান আয়োজনৰ উদ্দেশ্য কিন্তু মুখ্যতঃ এটাই — ব্যৱসায় বৃদ্ধি, আৰু ব্যৱসায় বৃদ্ধি মানেই হৈছে অধিক লাভ অৰ্জন।

---